Total No. of Printed Pages—3

**5 SEM TDC ASMH (CBCS) C 11**

**2023**

( November )

ASSAMESE

( Core )

Paper : C–11

**( Assamese Drama )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমীয়া নাটকৰ জন্মদাতা কোন?

(খ) শংকৰদেৱৰ দ্বাৰা ৰচিত নাটৰ সংখ্যা কিমান?

(গ) শ্ৰীকৃষ্ণৰ আগত ৰুক্মিণীৰ ৰূপ-গুণৰ বৰ্ণনা কৰা ভিক্ষুকজনৰ নাম কি?

(ঘ) ভোগমন গাঁওবুঢ়াৰ ঘৈণীয়েকৰ নাম লিখাঁ।

(ঙ) ভোগমনক গাঁওবুঢ়াৰ বাব দিয়াবলৈ বুলি ৰংদৈয়ে মৌজাদাৰনীক কি বস্তু আগবঢ়াইছিল ?

(চ) "তুমি নক'বা, আজিৰ দিনৰ ডেকা বুলি, ...যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হ'বই নোৱাৰে ..."

সংলাপটো কোনে, কাক কৈছিল ?

(ছ) অৰুণ শৰ্মাৰ এখন এবছাৰ্ডধৰ্মী নাটকৰ নাম লিখাঁ।

(জ) 'ধানটো-পতানটো' কোন শ্ৰেণীৰ নাটক ?

২। (ক) অসমীয়া নাট্যসাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৫

*অথবা*

(খ) অসমীয়া নাট্যসাহিত্যলৈ শংকৰদেৱৰ অৱদান সম্পৰ্কে বিৱৰি লিখাঁ।

৩। (ক) 'ৰুক্মিণীহৰণ' নাটৰ কাহিনীটো বৰ্ণনা কৰি নাটকখনত শংকৰদেৱৰ মৌলিকতা সম্পৰ্কে আলোচনা কৰাঁ। ৮+৭=১৫

*অথবা*

(খ) 'ৰুক্মিণীহৰণ' নাটৰ মাজেদি প্ৰকাশ পোৱা ৰস সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱাঁ। ১৫





৪। (ক) 'গাঁওবুঢ়া' নাটকৰ কাহিনীৰ মাজেদি প্ৰকাশিত বৃটিশ শাসিত অসমৰ সমাজজীৱনৰ চিত্ৰ সম্পৰ্কে বিৱৰি লিখাঁ। ১৫

*অথবা*

(খ) 'লভিতা' নাটকৰ নাট্যকাহিনীৰ মাজেদি প্ৰকাশ পোৱা বিয়াল্লিছৰ গণআন্দোলন আৰু দ্বিতীয় মহাসমৰৰ ঢৌৱে অসমৰ সমাজজীৱনত পেলোৱা প্ৰভাৱ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ৭+৮=১৫

৫। একাংকিকাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি 'কুকুৰনেচীয়া মানুহ' *অথবা* 'ধানটো-পতানটো' নাটকৰ এটি বিশ্লেষণ দাঙি ধৰাঁ। ৭+৮=১৫

৬। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৬×২=১২

(ক) অংকীয়া নাট

(খ) প্ৰহসন আৰু লঘুকমেদি

(গ) নাটকীয় সংঘাত

★★★